**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-08-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

নলবাৰী আৰু জাগীৰোড সমষ্টিৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ১৮ হাজাৰ ৩৭০ গৰাকী সদস্যাৰ মাজত চেক বিতৰণ কৰে। ইয়াৰ ভিতৰত মাৰ্ঘেৰিটা সমষ্টিৰ গ্ৰামাঞ্চলৰ ১৬ হাজাৰ ৬০৩গৰাকী আৰু পৌৰসভা এলেকাৰ এহেজাৰ ৭৬৭গৰাকী হিতাধিকাৰী মহিলা আছে। এই উপলক্ষে মাৰ্ঘেৰিটাৰ বৰগোলাইৰ দিহিং ক্ৰীড়া প্ৰকল্পত আয়োজিত ৰাজহুৱা সভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয়, যে উদ্যোগী নাৰীসকলক ৰাজ্যৰ উত্তৰণমুখী যাত্ৰাৰ শক্তিশালী অংশীদাৰ ৰূপে গঢ়ি তুলিবলৈ  চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেওঁ কয়, যে এই অভিযানৰ অধীনত ধন লাভ কৰা মহিলা উদ্যোগীসকলক অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযানৰ তৰফৰ পৰা নিজ নিজ অঞ্চলতে তিনি দিনৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে এই ধন উৎপাদনমূলক কামত ব্যৱহাৰ কৰা মহিলাসকলক অহা বছৰ দ্বিতীয় কিস্তি হিচাপে ২৫ হাজাৰ টকা প্ৰদান কৰা হ'ব। দ্বিতীয় কিস্তিৰ ধনো সঠিকভাৱে ব্যৱহাৰ কৰিলে বেংক আৰু চৰকাৰে মিলি প্ৰতিগৰাকী মহিলাক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰিব বুলিও তেওঁ উল্লেখ কৰে।

ড০ শৰ্মাই ইয়াৰ পূৰ্বে তিনিচুকীয়া জিলাত বহনক্ষম আৰু বিজ্ঞান সন্মত গোটা আৱৰ্জনা ব্যৱস্থাপনাৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি মাৰ্ঘেৰিটাত আৱৰ্জনা নিষ্কাষণ কেন্দ্ৰ আৰু আৱৰ্জনাৰ পৰা জৈৱ সাৰ প্ৰস্তুত কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। ছয় কোটি টকা ব্যায় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পটো দৈনিক ৫০ মেট্ৰিকটন গোটা আৱৰ্জনা নিষ্কাষণ কৰা হ'ব। প্ৰয়োজনসাপেক্ষে এই ক্ষমতা ১০০ মেট্ৰিকটনলৈ বৃদ্ধি কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত এইচ আই ভি পজিটিভ ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিভাগে ব্যাপক সজাগতাৰ সৃষ্টি কৰিছে। ইয়াৰ বাবে জিলাই জিলাই এইচ আই ভি পৰীক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত প্ৰতিদিনে নতুনকৈ ৫-৬ জন এইচ আই ভি পজিটিভ ৰোগী চিনাক্ত হৈছে। যোৱা বছৰত চিকিৎসা মহাবিদ্যালয়খনত নতুনকৈ ৯ হাজাৰ ১৫০ জন এইচ আই ভি পজিটিভ ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰে। ইয়াকে লৈ চিকিৎসা মহাবিদ্যালয়খনত বৰ্তমান প্ৰায় ১০ হাজাৰ এইচ আই ভি সংক্ৰমিত ৰোগীয়ে নিয়মীয়াকৈ চিকিৎসা সেৱা গ্ৰহণ কৰি আছে।

শোণিতপুৰ জিলাত নতুনকৈ ২২৪ জন এইচ আই ভি পজিটিভ ৰোগী চিনাক্ত কৰা হৈছে। এই তথ্য প্ৰকাশ পোৱাৰ পাছতে স্বাস্থ্য বিভাগে সজাগতা বৃদ্ধিৰ লগতে স্বাস্থ্য পৰীক্ষা বাধ্যতামূলক কৰাৰ আহ্বান জনাইছে।

কামৰূপ জিলাত বিগত ৭ মাহত নতুনকৈ ৯০০ জন এইচ আই ভি পজিটিভ ৰোগী চিনাক্ত হৈছে। জিলাখনত বিগত বৰ্ষৰ এপ্ৰিলৰ পৰা প্ৰতিমাহে ডেৰশৰো অধিক এইছ্ আই ভি পজিটিভ ৰোগী ধৰা পৰিছে। জিলা প্ৰকল্প বিষয়া মৃদুল চহৰীয়াই কামৰূপ জিলাত মাদক দ্ৰব্যৰ ব্যৱহাৰ বৃদ্ধি, এইছ্ আই ভি পজিটিভ ৰোগীৰ প্ৰবজন আৰু অসুৰক্ষিত যৌন সম্পৰ্কৰ বাবে এনে ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে বুলি প্ৰকাশ কৰে। জিলাখনত বৰ্তমান ১৩ হাজাৰ এনে ৰোগী আছে বুলি জিলা প্ৰকল্প বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। ইপিনে তথ্য, শিক্ষা, যোগাযোগ অভিযানৰ অধীনত কামৰূপ, কামৰূপ মহানগৰ আৰু নলবাৰী জিলাত সজাগতা সভা অনুষ্ঠিত কৰা হৈছে। দিছপুৰ মহাবিদ্যালয়ত আয়োজিত সভাত অভিজ্ঞ ব্যক্তৰ দ্বাৰা এইছ্ আই ভি সংক্ৰমণ আৰু ইয়াৰ প্ৰতিকাৰ সন্দৰ্ভত বিষদভাৱে বৰ্ণনা কৰা হয়।

ooooo

বন বিভাগৰ মুখ্য সচিব এম কে যাদৱৰ সৈতে বিভাগটোৰ এটা বৃহৎ দলে আজি গোলাঘাট জিলাৰ নেঘেৰিবিলৰ উচ্ছেদিত স্থলীৰ বৰ্তমানৰ পৰিস্থিতিৰ পৰিদৰ্শন কৰে। অসম আৰক্ষী আৰু চি আৰ পি এফৰ দল লগত লৈ মুখ্য সচিবগৰাকীয়ে পূৰ্বে উচ্ছেদিত কোনো পৰিয়াল নেঘেৰিবিললৈ প্ৰত্যাৱৰ্তন কৰিছে নেকি সেয়া নিৰীক্ষণ কৰে। উল্লেখযোগ্য যে নেঘেৰিবিলৰ ৫৯টা পৰিয়ালক উচ্চতম ন্যায়ালয়ে সাময়িক সকাহ দিছে যদিও এই পৰিয়ালসমূহো যিকোনো সময়তে উচ্ছেদ হোৱাৰ সম্ভাৱনা আছে।

ooooo

বজালী জিলাৰ পাটাছাৰকুছি সমষ্টিৰ অন্তৰ্গত ৭০৭গৰাকী ৰোগাক্ৰান্ত ব্যক্তিলৈ আজি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ অধীনত ধনৰাশিৰ চেক বিতৰণ কৰা হয়। এই উপলক্ষে পাঠশালাৰ ভগৱতী ক্ষেত্ৰত আয়োজিত অনুষ্ঠানত পাটাছাৰকুছি সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী ৰণজিৎ কুমাৰ দাস মুখ্য অতিথি হিচাপে উপস্থিত থাকে। শ্ৰীদাসে কয় যে বিভিন্ন ৰোগত ভুগি থকা এই দুখীয়া লোকসকলে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ অধীনত চিকিৎসাৰ বাবে ধন লাভ কৰাত সকাহ লাভ কৰিছে। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত উৰ্মি মেধি, পাঠশালা পৌৰসভাৰ পৌৰপতি জলী চৌধুৰীকে ধৰি কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

ooooo

বাক্সা জিলাৰ শালবাৰী পৰিষদীয় সমষ্টিত আজি বি টি আৰ চৰকাৰৰ উদ্যোগত মিছন বৈসুমতী দ্বিতীয় পৰ্যায়ৰ অধীনত ভূমিহীন পৰিয়ালক ভূমি পট্টা প্ৰদান কৰা হয়। সমষ্টিটোৰ ভাটৌপুখুৰীৰ ৩১টা পৰিয়াল আৰু সোণপেৰাবড়িৰ ৮৩টা পৰিয়ালক আনুষ্ঠানিকভাৱে ভূমি পট্টা প্ৰদান কৰা হয়। আসন্ন বি টি আৰ নিৰ্বাচনৰ পূৰ্বে প্ৰতিটো পৰিষদীয় সমষ্টিত প্ৰমোদ বড়ো নেতৃত্বাধীন ইউ পি পি এল চৰকাৰে ভূমিহীন পৰিয়ালক পট্টা প্ৰদান কৰা কাৰ্যসূচী অব্যাহত ৰাখিছে। আজিৰ কাৰ্যসূচীত শালবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ জয় মুছাহাৰী, শালবাৰী জিলা ইউ পি পি এলৰ সভাপতি বিখন গয়াৰীকে ধৰি কেইবাগৰাকী দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

ooooo

ঃঃ সমাপ্ত ঃঃ